# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-APR-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি।

২। নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

৩। বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে কাইলৈ ৭ খন দেশৰ ১৫ জনীয়া প্ৰতিনিধি দলৰ অসম আগমন।

৪। মণিপুৰৰ শেহতীয়া পৰিস্থিতিৰ বাবে মোবাইল ডাটা আৰু ইণ্টাৰনেট সেৱা সাময়িকভাৱে বন্ধ। স্পাইচজেট এয়াৰলাইন্সৰ সেৱা এসপ্তাহলৈ বাতিল। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীত মুম্বাই ইণ্ডিয়ানছ ৰাজস্থান ৰয়েলছৰ মুখামুখি।

ooooo

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি বিয়লি ৫ বজাৰ লগে লগে সামৰণি পৰে। নিৰ্বাচনী প্ৰচাৰৰ সময় উকলি যোৱাৰ পাছত অৰ্থাৎ ছাইলেন্স পিৰিয়ড সন্দৰ্ভত ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১২৬ নম্বৰ ধাৰা অনুসৰি কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই সময়ছোৱাত ৰাজহুৱা সভা, শোভাযাত্ৰা, বৈদ্যুতিক মাধ্যম অথবা সামাজিক মাধ্যমৰ জৰিয়তে কৰা প্ৰচাৰকে ধৰি সকলো ধৰণৰ নিৰ্বাচনী প্ৰচাৰ সম্পূৰ্ণভাৱে নিষিদ্ধ থাকিব। নিৰ্বাচন আয়োগে ইলেকট্ৰনিক মাধ্যমত মতামত, সমীক্ষা আৰু জৰীপৰ ফলাফলকে ধৰি নিৰ্বাচন সম্পৰ্কীয় বিষয়বস্তু প্ৰদৰ্শন কৰাতো বাধা আৰোপ কৰিছে। এই সময়ছোৱাত এছ এম এছ, ফোনকল অথবা সামাজিক মাধ্যমৰ জৰিয়তে ভোট বিচৰা কাৰ্যত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে সকলো প্ৰাৰ্থী, ৰাজনৈতিক দল আৰু সংবাদ মাধ্যমক এই নীতি নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। নিৰ্বাচন আয়োগে ৯ এপ্ৰিলৰ দিনা ৰাজ্যখনৰ সকলো জনসাধাৰণকে নিৰ্ভয়ে ভোটদান কৰি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

ৰাজ্যৰ অন্য জিলাসমূহৰ লগতে **লখিমপুৰ** জিলা প্ৰশাসনেও আজি বিয়লি ৫ বজাত প্ৰচাৰৰ সময়সীমা উকলি যোৱাৰ পৰিপ্ৰেক্ষিতত জৰুৰী নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ভোটগ্ৰহণলৈকে ৪৮ ঘণ্টা সময় ছোৱাত কোনো ধৰণৰ প্ৰচাৰ কৰিব নোৱাৰিব।

**কামৰূপ মহানগৰ** জিলাতো অনুৰূপ নিৰ্দেশ বলৱৎ কৰা হৈছে। **শ্ৰীভূমি** জিলাৰ চাৰিটা বিধানসভা সমষ্টিত জিলা প্ৰশাসনে নিৰ্বাচনৰ পূৰ্বৰ ৪৮ ঘণ্টাত কোনো জনসভা, পদযাত্ৰা বা নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব বুলি নিৰ্দেশনা জাৰি কৰিছে। ভোটদাতা সকলক প্ৰভাৱিত কৰাৰ বাবে সামাজিক মাধ্যমৰ ব্যৱহাৰও নিষিদ্ধ কৰা হৈছে। জিলা নিৰ্বাচনী বিষয়াই সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীলৈ প্ৰেৰণ কৰা পত্ৰৰযোগে এই নিৰ্দেশনা মানি চলিবলৈ আহ্বান জনাইছে।

ooooo

বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ জিলা প্ৰশাসনসমূহে ব্যাপক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে।

নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত **যোৰহাট** জিলা প্ৰশাসনেও কেতবোৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। জিলা আয়ুক্ত জয় শিৱানীয়ে আজি জিলাখনৰ বিভিন্ন প্ৰান্তৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়। তেওঁ ভোটকেন্দ্ৰসমূহত প্ৰয়োজনীয় সা-সুবিধাৰো বুজ লয়। যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালক বিদ্যালয় পৰিদৰ্শন কৰি তেওঁ ভোটকেন্দ্ৰসমূহৰ কাম-কাজ পৰ্যবেক্ষণ কৰে। এই সময়ছোৱাত জিলাখনৰ ৰিৰ্টানিং বিষয়াসকলৰ লগতে নিৰ্বাচনী বিষয়াসকলৰ সৈতে তেওঁ মত বিনিময় কৰে। ভোটগ্ৰহণ প্ৰক্ৰিয়া ত্ৰুটিপূৰ্ণভাৱে পৰিচালনা কৰাৰ বাবে তেওঁ বিষয়াসকলক যাৱতীয় দিহা-পৰামৰ্শ আগবঢ়ায়।

একেদৰে **বিশ্বনাথ** জিলা প্ৰশাসনেও নিৰ্বাচনৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনত মুঠ ৬৫৪টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইভিএমৰ সুৰক্ষিত পৰিবহণ আৰু পৰিচালনাৰ বাবেও প্ৰশাসনে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

পৰহিলৈ হ'বলগীয়া ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ বাবে **ডিব্ৰুগড়** জিলাত আজি নিৰ্বাচনী বিষয়া আৰু ক্ষুদ্ৰ পৰ্যবেক্ষকসকলৰ তৃতীয় পৰ্যায়ৰ ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়া অনুষ্ঠিত হয়। জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ উপস্থিতিত এই প্ৰক্ৰিয়া সম্পন্ন কৰা হয়। চাবুৱা-লাহোৱাল, ডিব্ৰুগড়, খোৱাং, দুলীয়াজান, টিংখং আৰু নাহৰকটীয়া সমষ্টিত নিয়োজিত নিৰ্বাচনী বিষয়াসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

**নগাঁও** জিলা প্ৰশাসনেও নিৰ্বাচনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। জিলাখনত মুঠ এহেজাৰ ৮৬৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে প্ৰায় ৮ হাজাৰ প'লিং আৰু প্ৰিজাইডিং বিষয়া নিয়োগ কৰা হৈছে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ উপস্থিতিত আজি নিৰ্বাচনী বিষয়া আৰু ক্ষুদ্ৰ পৰ্যবেক্ষকসকলৰ কোন ক'ত নিয়োজিত কৰা হ'ব সেই সম্পৰ্কে ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়াৰে চূড়ান্ত কৰা হয়। নিৰ্বাচনী বিষয়াসকলে কাইলৈ পুৱা নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হ'ব বুলি আমাৰ সংবাদদাতাই জনাইছে। নিৰ্বাচন প্ৰক্ৰিয়া সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে জিলা আয়ুক্তগৰাকীৰ সভাপতিত্বত আজি এখন পৰ্যালোচনা সভাও অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্তগৰাকীয়ে নিৰ্বাচনৰ সৈতে জড়িত বিভাগসমূহৰ কাম-কাজৰ শেহতীয়া স্থিতি আৰু অগ্ৰগতিৰ বিষয়ে বুজ লয়। প্ৰতিটো কোষৰ কাম-কাজ নিৰীক্ষণ কৰি জিলা আয়ুক্তগৰাকীয়ে প্ৰয়োজনীয় দিশসমূহৰ ওপৰত আলোকপাত কৰে।

জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়াই কাইলৈ **কৰিমগঞ্জ** কলেজ খেলপথাৰত ভোটগ্ৰহণৰ বাবে নিয়োজিত কৰ্মীসকলক পুৱা ৮ বজাৰ সলনি পুৱা ৬ বজাত উপস্থিত থাকিবলৈ নিৰ্দেশ দিছে।

নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত **হাইলাকান্দি** জিলা প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তুলিছে। শান্তিপূৰ্ণ ভোটগ্ৰহণ নিশ্চিত কৰিবলৈ জিলাখনত কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ ২১টা কোম্পানীক মোতায়েন কৰা হৈছে। ভোটদাতাসকলক সচেতন কৰাৰ লগতে ১০০ শতাংশ ভোটদান নিশ্চিত কৰাৰ লক্ষ্যৰে জিলাখনত আজি বিশাল সমদল উলিওৱা হয়। জিলা আয়ুক্ত অভিযেক জৈনৰ লগতে আৰক্ষী অধীক্ষক অমিতাভ সিঙই এই ৰেলীত অংশগ্ৰহণ কৰে।

**বৰপেটাৰ** মাধৱ চৌধুৰী মহাবিদ্যালয়ত স্থাপন কৰা ই ভি এম বিতৰণ কেন্দ্ৰৰ পৰা ভোটগ্ৰহণকাৰী বিষয়াৰ দল আজি সংশ্লিষ্ট কেন্দ্ৰসমূহলৈ ৰাওনা হয়। জিলাখনৰ ৪টা সমষ্টি বৰপেটা, চেঙা, মন্দিয়া আৰু পাকাবেতবাৰীত এহেজাৰ ১২১টা ভোটকেন্দ্ৰ আছে। ইয়াৰ দুৰ্গম আৰু চৰ অঞ্চলৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ বিষয়াসকল ইতিমধ্যে ৰাওনা হৈছে। **বজালী** জিলা প্ৰশাসনে নিৰ্বাচনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। আজি নিৰ্বাচনৰ ব্যয় পৰ্যবেক্ষক ধীৰেন্দ্ৰ কুমাৰে জিলা আয়ুক্তৰ কাৰ্যালয়ত ব্যয় নিৰীক্ষণ কোষৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ বাবে জিলাখনত দুটা আদৰ্শ ভোটকেন্দ্ৰ চূড়ান্ত কৰা হৈছে। আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰা প্ৰথম ১০ গৰাকী ভোটদাতাক গছপুলি প্ৰদান কৰা হ'ব বুলি প্ৰশাসনে জানিবলৈ দিছে।

ইপিনে, বিভিন্ন জিলাৰ দুৰ্গম স্থানত থকা ভোটকেন্দ্ৰসমূহলৈ ভোটগ্ৰহণকাৰী বিষয়া দল আজি ৰাওনা হৈছে। **কাৰ্বি আংলঙৰ** ২১টা দুৰ্গম অঞ্চলৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল আজি ৰাওনা হৈছে। **পশ্চিম কাৰ্বি আংলং** জিলাতো ৫১টা ভোটকেন্দ্ৰৰ নিৰ্বাচনীৰ দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীসকল আজি ৰাওনা হয়।

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পৰহিলৈ দৰ্শনাৰ্থীৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ বন্ধ থাকিব। লগতে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ অধীনস্থ নাৰায়ণপুৰৰ শ্ৰীশ্ৰীমাধৱদেৱ কলাক্ষেত্ৰ আৰু বৰদুৱাৰ, শ্ৰীমন্ত শংকৰদেৱ আৱিৰ্ভাৱ ক্ষেত্ৰও বন্ধ থাকিব। পুনৰ ১০ এপ্ৰিলৰ পৰা পূৰ্বৰ সময়সূচী অনুসৰি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ অধীনস্থ প্ৰতিষ্ঠানসমূহ দৰ্শনাৰ্থীৰ বাবে মুকলি কৰি দিয়া হ'ব বুলি কলাক্ষেত্ৰ সমাজে জানিবলৈ দিছে।

০০০০০

ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ পৰহিলৈ একেটা পৰ্যায়তে ভোটগ্ৰহণ কৰা হ'ব। এইবাৰ ৰাজ্যত ২ কোটি ৫০ লাখ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰ কোটি ১ কোটি ২৫ লাখ পুৰুষ, ১ কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ৰাজ্যৰ ৩১ হাজাৰ ৩৮৬ টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে এশ শতাংশ ৱেৰ কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। এই সময়ছোৱাত শান্তি শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবা শতাধিক কোম্পানী নিয়োগ কৰা হৈছে। ৰাজ্যখনৰ ভিতৰত দৰং জিলাৰ দলগাওঁ সমষ্টিত সৰ্বাধিক সংখ্যক আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত পশ্চিম কাৰ্বি আংলঙৰ আমৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে প্ৰতিগৰাকী ভোটদাতাকে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথি পত্ৰসহ ভোটকেন্দ্ৰসমূহলৈ গৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয় যে প্ৰতিটো ভোটকেন্দ্ৰত খোৱাপানী, প্ৰসাৰগাৰ আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে ৰেম্পৰ ব্যৱস্থাকে ধৰি সকলো সা-সুবিধা থকাটো নিশ্চিত কৰা হৈছে। নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ কৰি তোলাৰ বাবে ৩০ টা নতুন পদক্ষেপ লৈছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সৰ্বাধিক এহেজাৰ দুশ গৰাকী ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

০০০০০

বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ উদ্দেশ্যে কাইলৈ বিদেশী প্ৰতিনিধিৰ এটা দল অসমত উপস্থিত হ'ব। এঙ্গোলা, ইজিপ্ত, পৰ্টুগাল, মেক্সিকো, শ্ৰীলংকা, বেনিন আৰু ক্ৰোৱেছিয়াকে ধৰি ৭ খন দেশৰ ১৫ গৰাকী প্ৰতিনিধি আৰু নিৰ্বাচন আয়োগৰ ৩ গৰাকী বিষয়াৰে গঠিত দলটোৱে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁলোকে লগতে ক্ষেত্ৰ পৰ্যায়ত নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে নিৰ্বাচনী সামগ্ৰী কেন্দ্ৰ আৰু নিয়ন্ত্ৰণ কক্ষসমূহ পৰিদৰ্শন কৰিব। দলটোৱে পৰহিলৈ ভোটগ্ৰহণৰ দিনা বিভিন্ন জিলাৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি ভোটদান প্ৰক্ৰিয়া, নিৰাপত্তা ব্যৱস্থা আৰু প্ৰযুক্তি ব্যৱহাৰৰ বুজ ল'ব।

০০০০০

মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ ট্ৰংলাওবি গাঁৱৰ এটা পৰিয়ালৰ বাসগৃহত অচিনাক্ত দুৰ্বৃত্তই বোমাৰে কৰা আক্ৰমণত দুটি শিশুৰে প্ৰাণ হেৰুৱাৰ পাছতে ৰাজ্যখনত প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি হৈ পৰিছে। যোৱা নিশা সংঘটিত এই ঘটনাত দুটি শিশুৰ মৃত্যু হোৱাৰ লগতে মাতৃগৰাকী গুৰুতৰভাৱে আহত হৈ ইম্ফলৰ চিকিৎসালত চিকিৎসাধীন হৈ আছে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা বোমা উদ্ধাৰ কৰি নিষ্ক্ৰীয় কৰে। এই ঘটনাৰ পাছতে ৰাজ্যখনৰ ৫ খন উপত্যকা জিলা, পশ্চিম ইম্ফল, পূৱ ইম্ফল, কাকচিং, থৌবাল আৰু বিষ্ণুপুৰত বহু লোকে প্ৰতিবাদ কৰে। তেওঁলোকে চি আৰ পি এফৰ চাউনীলৈ গৈ সুৰক্ষা বিচাৰি ধ্বনি দিয়ে। সুৰক্ষা বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কন্দুৱা গেছ প্ৰয়োগ কৰাৰ লগতে শূন্যলৈ গুলিচালনা কৰাত কেইবাগৰাকী প্ৰতিবাদকাৰী আহত হয়। ইয়াৰ পাছতে একাংশ প্ৰতিবাদকাৰীয়ে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথসমূহ অৱৰোধ কৰে। ৰাজ্যৰ গৃহ বিভাগে মণিপুৰত মোবাইল

ডাটা আৰু ইণ্টাৰনেট সেৱা ৩ দিনৰ বাবে বন্ধ ঘোষণা কৰিছে। ইপিনে, স্পাইচজেট এয়াৰলাইন্সে আজিৰে পৰা ১৪ এপ্ৰিল পৰ্যন্ত মণিপুৰলৈ অহা যোৱা কৰা বিমানসমূহৰ যাত্ৰা বাতিল কৰিছে। ইয়াৰ ফলত কোলকাতা-ইম্ফল-গুৱাহাটীৰ মাজত চলাচল কৰা বিমানৰ সেৱাও বাতিল কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ১০ ফেব্ৰুৱাৰীত ইম্ফল-গুৱাহাটী আৰু কোলকাতাৰ মাজত স্পাইচজেটে বিমান চলাচল সেৱা আৰম্ভ কৰিছিল।

০০০০০

অসমত ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ নাটনি হোৱা নাই আৰু গ্ৰাহকৰ চাহিদা পূৰণ কৰিব পৰাকৈ চিলিণ্ডাৰৰ যোগান অব্যাহত আছে বুলি ইণ্ডিয়ান অইলৰ সূত্ৰই প্ৰকাশ কৰিছে। নগৰ অঞ্চলৰ গ্ৰাহকে ২৫ দিনৰ ব্যৱধানত আৰু গ্ৰামাঞ্চলৰ ৪৫ দিনৰ ব্যৱধানত দ্বিতীয়টো চিলিণ্ডাৰ বুক কৰিব পাৰিব বুলি সূত্ৰটোৱে প্ৰকাশ কৰে। তদুপৰি প্ৰধানমন্ত্ৰী উজ্বলা আঁচনিৰ চিলিণ্ডাৰ পাবলৈ ই কে ৱাই চি বাধ্যতামূলক বুলি কোৱা হৈছে। তদুপৰি ৯ মাহে চিলিণ্ডাৰ নোলোৱা গ্ৰাহকৰ বাবেও ই কে ৱাই চি বাধ্যতামূলক বুলিও কোৱা হৈছে।

**ৰাইট**

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আবেলি অহা শিলাবৃষ্টি আৰু ধুমুহাত বিস্তৰ ক্ষতি হৈছে। ধুমুহাৰ ফলত বজালী জিলাৰ কেইবাটাও অঞ্চলত গছ-গছনি উভালি পৰাত যাতায়াত ব্যৱস্থা ব্যাহত হয়। পাঠশালা নগৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ পথত গছ উভালি পৰি যাতায়াত ব্যৱস্থা ব্যাহত হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। ধুমুহা আৰু বৰষুণত কোনো কোনো অঞ্চলত বৈদ্যুতিক তাঁৰ ছিঙি পৰাত বিদুৎ সেৱা ব্যাহত হয়। ধাৰাষাৰ বৰষুণৰ ফলত বিভিন্ন অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ বাবে জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে। গুৱাহাটী মহানগৰতো ধাৰাষাৰ বৰষুণৰ ফলত জনসাধাৰণৰ স্বাভাৱিক জীৱনযাত্ৰাত বাধাৰ সৃষ্টি হৈছে।

শিলাবৃষ্টি আৰু ধুমুহাৰ ফলত বাক্সা জিলাৰ কেইবাটাও অঞ্চলত ক্ষতি হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। নিৰ্বাচনী প্ৰচাৰত ব্যৱহৃত এখন বাহনত গছ বাগৰি পৰাৰ ফলত বাহনখন চূৰ্ণ-বিচূৰ্ণ হৈ পৰে। শালবাৰী মহকুমাৰ ঠায়ে ঠায়ে গছ উভালি পৰাৰ ফলত যাতায়াত ব্যৱস্থা ব্যাহত হয়। ধুমুহাই জিলাখনৰ কেইবাটাও বাসগৃহৰ টীনপাত উৰুৱাই নিয়াৰ ফলত জনসাধাৰণ আহুকালৰ সন্মুখীন হৈছে।

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানি ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত চলি আছে। ইতিমধ্যে অভিযুক্তসকলৰ ওপৰত বিচাৰৰ ধাৰা আৰোপ সম্পৰ্কীয় শুনানি  প্ৰায় সমাপ্ত হৈছে। কাইলৈ এগৰাকী অভিযুক্তৰ বিচাৰৰ ধাৰা সন্দৰ্ভত শুনানি গ্ৰহণৰ পাছতে জুবিন গাৰ্গৰ হৈ নিয়োগ কৰা বিশেষ লোক অভিযুক্তসকলৰ বিৰুদ্ধে যুক্তি প্ৰদৰ্শন কৰিব। এই সন্দৰ্ভত এগৰাকী অধিবক্তাই এইদৰে কয়।

**ৰাইট**

০০০০০

**আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত হবলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। বৰ্তমান ৰাজস্থান ৰয়েলছ পইণ্ট তালিকাৰ তৃতীয় স্থানত থকাৰ বিপৰীতে মুম্বাই ইণ্ডিয়ানছ ষষ্ঠ স্থানত আছে।**

০০০০০

**সমাপ্ত**